জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৪২/২০২২

# তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ নিযুক্তি সন্দৰ্ভত উপায়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ভাৰ্চুৱেল বৈঠক

## পৰীক্ষা প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব পৰা কোনো ধৰণৰ গাফিলতি সহ্য কৰা নহ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ প্ৰায় ৩০ হাজাৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদত নিযুক্তিৰ বাবে অনুষ্ঠিত হ'বলগীয়া পৰীক্ষা সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উপায়ুক্ত আৰু অন্যান্য অংশীদাৰীসকলৰ সৈতে আজি ভাৰ্চুৱেল মাধ্যমৰ জৰিয়তে এক বৈঠকত মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন চৰকাৰী পদত যোগ্য যুৱক-যুৱতীসকলক স্বচ্ছভাৱে নিয়োগ কৰাৰ বাবে কোনো ধৰণৰ ত্ৰুটি নথকাকৈ ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচিডিউৰ আখৰে আখৰে মানি চলিবলৈ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। যিহেতু নিযুক্তি পৰীক্ষাত ১৪,৩০,৩৩৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ সম্ভাৱনা আছে। সেয়ে উপায়ুক্তসকলক কোনো জটিলতা নোহোৱাকৈ সুচলতাৰে পৰীক্ষা অনুষ্ঠিত কৰাতো নিশ্চিত কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। পৰীক্ষা প্ৰক্ৰিয়াত কোনোধৰণৰ ব্যাঘাত যাতে নহয়, তাৰ বাবে বিষয়া-কৰ্মচাৰী আৰু সা-সামগ্ৰী সাজু কৰি ৰাখিবলৈ তেওঁ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ প্ৰদান কৰে।

এই পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া ২৫ খন জিলাৰ প্ৰতিখনতে একোজনকৈ নডেল বিষয়াৰ লগতে পৰীক্ষা কেন্দ্ৰসমূহত চৰকাৰী ৰাজপত্ৰিত বিষয়াসকলক পৰ্যবেক্ষক হিচাপে নিয়োগ কৰি এছ অ' পি সমূহ সঠিক আৰু সন্তোষজনকভাৱে কাৰ্যকৰী কৰাতো নিশ্চিত কৰা হ'ব। তদুপৰি, প্ৰতিটো পৰীক্ষা কেন্দ্ৰতে এগৰাকী উপ-পৰিদৰ্শক পৰ্যায়ৰ আৰক্ষী বিষয়াক নিযুক্ত কৰা হ'ব আৰু তেওঁক আন আৰক্ষী লোকসকলে সহায় কৰিব। পৰীক্ষা কেন্দ্ৰসমূহত পৰীক্ষাৰ্থীৰ লগতে নিৰীক্ষকৰ বাবে মোবাইল ফোন নতুবা যিকোনো ধৰণৰ ইলেকট্ৰনিক সা-সামগ্ৰী অনাটো বাৰণ কৰা হৈছে।

পৰীক্ষা কেন্দ্ৰসমূহত সকলো ধৰণৰ আনুষংগিক কাৰ্যকলাপৰ ভিডিঅ'গ্ৰাফী কৰিবৰ কাৰণে প্ৰতিজন কেন্দ্ৰ তত্বৱধায়কে দুজনকৈ ভিডিঅ'গ্ৰাফাৰ নিয়োগ কৰিব। এটা বিশেষ চীফটৰ পৰীক্ষা শেষ হোৱাৰ পিছত কোনো পৰীক্ষাৰ্থীক পুনৰ পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। অৱশ্যে নিৰ্ধাৰিত সময়ৰ ভিতৰত আৰু সঠিকভাৱে পৰীক্ষা-নিৰীক্ষাৰ অন্তত সেই একেজন পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহত প্ৰৱেশৰ অনুমতি লাভ কৰিব। অহা ২১, ২৮ আগষ্ট আৰু ১১ ছেপ্টেম্বৰত এই পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব আৰু পৰীক্ষা অনুষ্ঠিত হোৱাৰ দিনকেইটাত পৰীক্ষা কেন্দ্ৰসমূহত মোবাইল ইণ্টাৰনেট সেৱা তিনি ঘণ্টাৰ কাৰণে

ব্যাহত কৰি ৰখা হ'ব।

পৰীক্ষা প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব পৰা কোনো ধৰণৰ গাফিলতি সহ্য কৰা নহ'ব বুলি উল্লেখ কৰি এই ক্ষেত্ৰত যিকোনো ধৰণৰ আগতীয়া কু-অভিপ্ৰায় ৰোধ কৰাৰ বাবে ইন্টেলিজেন্স নেটৱৰ্ক সক্ৰিয় কৰি ৰাখিবলৈ সংশ্লিষ্ট জিলাসমূহৰ আৰক্ষী অধীক্ষসকলক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, বিশেষ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং, তৃতীয় বৰ্গৰ পদৰ বাবে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধ্যক্ষ ড° আশীষ কুমাৰ ভুটানী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মাৰ লগতে ৰাজ্য চৰকাৰৰ অসামৰিক আৰু আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াবৰ্গ উপস্থিত থাকে।

সুঃদঃ / হেংশাঃ
১৭/০৮/২০২২